**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-10-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

**--------------------**

১। বোমা বিস্ফোৰণত ক্ষতিগ্ৰস্ত কোকৰাঝাৰ আৰু ছালাকাটি ষ্টেচনৰ মাজৰ ৰে'লপথেৰে আজি পুনৰ ৰেল চলাচল আৰম্ভ। ঘটনা সংক্ৰান্তত এজন লোকক অসম আৰক্ষীৰ চিনাক্তকৰণ।

২। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত বঙাইগাঁৱত আজি আত্মসহায়ক গোটৰ ২০ হাজাৰ ৩০৮ গৰাকী সদস্যাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ।

৩। জনতাৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীৰে সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যজুৰি ন্যায় সমদল।

৪। শিলচৰত ভুৱা চিকিৎসক নেটৱৰ্কৰ আঁৰৰ মূল ব্যক্তিক গ্ৰেপ্তাৰ। ***আৰু***

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ এডেলেইদত আজি দ্বিতীয়খন খেলত ভাৰতৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াৰ ২ উইকেটত জয়লাভ।

০০০০০

কোকৰাঝাৰ আৰু ছালাকাটি ষ্টেচনৰ মাজৰ ৰেলপথত যোৱা নিশা বোমা বিস্ফোৰণৰ ফলত ক্ষতিগ্ৰস্ত পথছোৱাৰে ৰেল চলাচল আজি পুনৰ আৰম্ভ হৈছে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে আজি ঘটনা স্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে অঞ্চলটোত সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনাৰ বাবে শীৰ্ষ আৰক্ষী বিষয়া আৰু ৰে'লৰে সুৰক্ষা বাহিনীৰ বিষয়াৰ সৈতে বৈঠকত মিলিত হয়। শ্ৰীসিঙে ইয়াৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত কয়, যে ঘটনা সন্দৰ্ভত কিছু তথ্য লাভ কৰা হৈছে আৰু তদন্ত প্ৰক্ৰিয়া অব্যাহত আছে।

**বাইট ঃ হৰমিত সিং**

উল্লেখযোগ্য যে কোকৰাঝাৰৰ পৰা প্ৰায় ৫ কিলোমিটাৰ নিলগৰ এই ৰে'লপথছোৱাত যোৱা নিশা এটা শক্তিশালী আই ই ডি বিস্ফোৰণৰ ফলত ৰে'ল পথছোৱাৰ প্ৰায় ৩ ফুট ক্ষতিগ্ৰস্ত হয়। যুদ্ধকালীন ক্ষীপ্ৰতাৰে ৰে'লপথছোৱা মেৰামতিৰ লগতে তন্ন তন্নকৈ সুৰক্ষা ব্যৱস্থা পৰীক্ষাৰ পাছত আজি পুনৰ এই পথেৰে সাময়িকভাৱে বন্ধ কৰা ৰে'লসমূহৰ চলাচল আৰম্ভ হয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ঘটনা সন্দৰ্ভত সাংবাদিকৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰি এই সংক্ৰান্তত এজন লোকক অসম আৰক্ষীয়ে চিনাক্ত কৰিছে বুলি প্ৰকাশ কৰে।

পূব কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰীয়েও আজি দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি বড়োলেণ্ডৰ শান্তি সম্প্ৰীতি বিঘ্নিত কৰিব বিচৰা দুৰ্বৃত্তক শীঘ্ৰে চিনাক্ত কৰি উলিয়াবলৈ আহ্বান জনায়।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বঙাইগাঁৱত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ২০ হাজাৰ ৩০৮ গৰাকী সদস্যাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। এই উপলক্ষে আয়োজিত এখন জনসভাত ভাষণ দি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে তৃণমূল স্তৰৰ মহিলা উদ্যোগীসকলৰ সৱলীকৰণ

আৰু ৰাজ্যৰ বিকাশত তেওঁলোকৰ ভূমিকা শক্তিশালী কৰাৰ বাবে ৰাজ্য চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। কৃষি, পশুপালন, হস্ততাঁত, হস্তশিল্প আদি বিভিন্ন ক্ষেত্ৰত এই মহিলা উদ্যমীসকলে জীৱিকাৰ পথ প্ৰশস্ত কৰি আগবাঢ়ি গৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এই অভিযানৰ জৰিয়তে ৰাজ্যৰ ১২৬ টা সমষ্টিৰ প্ৰায় ৪০ লাখ আত্মসহায়ক গোটৰ ৩২ লাখৰো অধিক মহিলাই উদ্যমিতা পুঁজিৰ ধন লাভৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি সুদৃঢ় কৰাত বিশেষ ভূমিকা পালন কৰিব বুলি  আশা কৰা হৈছে।

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীৰে সদৌ অসম ছাত্ৰ সন্থাই আজি ৰাজ্যজুৰি ন্যায় সমদল উলিয়ায়। সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰসন্থা আৰু কামৰূপ জিলা ছাত্ৰসন্থাৰ উদ্যোগত গুৱাহাটীৰ উজান বজাৰৰ ছহিদ ন্যাস ভৱনৰ পৰাও পুৱা ন্যায় সমদল উলিওৱা হয়। ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ লোৱা এই সমদলৰ জৰিয়তে জুবিন গাৰ্গৰ মৃত্যুৰ পানী নসৰকা তদন্ত কৰি দোষীক কঠোৰ শাস্তি বিহিবলৈ দাবী জনোৱা হয়। ন্যায় সমদলত অংশ লৈ ছাত্ৰসন্থাৰ সভাপতি উৎপল শৰ্মাই কয়, যে জুবিন গাৰ্গৰ মৃত্যুক লৈ কোনো অস্পষ্টতা থাকি যাব নোৱাৰিব। কাৰ গাফিলতিত কি ধৰণেৰে শিল্পী গৰাকীৰ মৃত্যু হ'ল সেয়া অসমৰ ৰাইজে জানিব লাগিব বুলি তেওঁ উল্লেখ কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যই কয়, যে ৰাজ্যৰ প্ৰতিখন জিলা সদৰত ছাত্ৰ সন্থাই ন্যায় বিচাৰি এই প্ৰতিবাদ সাব্যস্ত কৰিছে। এছ আই টিয়ে দোষী সাৰি যাব নোৱৰাকৈ সাক্ষ্য প্ৰমাণ সহ এখন শক্তিশালী অভিযোগনামা দাখিল কৰিব লাগিব তেওঁ মন্তব্য কৰে।

নগাঁও জিলাতো সদৌ অসম ছাত্ৰসন্থাৰ আহ্বান মৰ্মে আজি ন্যায় সমদল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ডিব্ৰুগড় জিলাতো আজি চৌকিদিঙি খেলপথাৰৰ ছহিদ ভৱনৰ পৰা জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায় প্ৰদানৰ দাবীত ন্যায় সমদল উলিওৱা হয়। এই ন্যায় সমদলক সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে নেতৃত্ব দিয়ে। একেদৰে হোজাই জিলা ছাত্ৰ সন্থাৰ তিনি শতাধিক কৰ্মীয়ে আজি জিলাখনত ন্যায় সমদল কৰে। ধেমাজি জিলাতো ছহিদ বেদীৰ বাকৰিৰ পৰা ধেমাজি নগৰৰ মাজেৰে সমদল উলিয়াই সহস্ৰাধিক আছু কৰ্মীয়ে শিল্পীগৰাকীক ন্যায়ৰ দাবী তোলে।

তামুলপুৰত আজি সদৌ অসম ছাত্ৰসন্থাৰ উদ্যোগত ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে শিল্পীগৰাকীক ন্যায় প্ৰদানৰ দাবীত সমদলত অংশ লয়। বজালী জিলাতো আজি সদৌ অসম ছাত্ৰ সন্থাই ন্যায় সমদল উলিয়ায়। এই সমদলত অংশগ্ৰহণকাৰীসকলে জুবিন গাৰ্গৰ মৃত্যুৰ সঠিক তদন্ত আৰু দোষীক উচিত শাস্তি প্ৰদানৰ দাবী তোলে।

অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদেও আজি ৰাজ্যৰ বিভিন্ন জিলাত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত অভিযুক্তসকলৰ শাস্তি বিচাৰি প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠনটোৰ ধেমাজি জিলা সমিতিৰ লগতে বিভিন্ন আঞ্চলিক সমিতিৰ সহযোগত গোগামুখত প্ৰতিবাদ সাব্যস্ত কৰা হয়। ওদালগুৰিতো সংগঠনটোৰে এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। ইপিনে বিজেপিয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিও জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি ন্যায় সমদল উলিয়ায়। মঙলদৈত আজি এই ন্যায় সমদলত মন্ত্ৰী পীযুষ হাজৰিকাই অংশগ্ৰহণ কৰে।

ooooo

শিলচৰত শেহতীয়াকৈ গ্ৰেপ্তাৰ হোৱা কেইবাগৰাকী ভুৱা চিকিৎসক নেটৱৰ্কৰ আৰৰ মূল ব্যক্তি ডাঃ জয়ন্ত প্ৰসাদ দাসক আজি শিলচৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। এখন ব্যক্তিগত চিকিৎসালয়ৰ স্বত্বাধিকাৰী এই লোকজন শিলচৰত ইতিপূৰ্বে গ্ৰেপ্তাৰ হোৱা ১৩ জন ভুৱা চিকিৎসকক প্ৰমাণপত্ৰ প্ৰদানকে ধৰি কেতবোৰ নীতি বহিৰ্ভুত কাৰ্যত জড়িত আছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল

মাহান্তাই আজি সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে অভিযুক্ত দাসে দীৰ্ঘদিন ধৰি চলাই অহা ৰাষ্ট্ৰীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান নামৰ স্বীকৃতি বিহীন প্ৰতিষ্ঠান এটাৰ পৰা ভুৱা চিকিৎসা বিজ্ঞানৰ ডিগ্ৰী আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰা হৈছিল। এই প্ৰতিষ্ঠানে প্ৰদান কৰা প্ৰমাণ পত্ৰৰ কোনো আইনসংগত স্বীকৃতি নাই বুলিও শ্ৰী মাহান্তাই প্ৰকাশ কৰে। আজি  অভিযুক্ত দাসক গ্ৰেপ্তাৰৰ পাছত আদালতত হাজিৰ কৰোৱা হয় আৰু অধিক তদন্তৰ বাবে আৰক্ষীয়ে জিম্মাত লৈছে বুলি জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰে।

(বাইট)

০০০০০

পবিতৰা অভয়াৰণ্য আজি ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে  পৰ্যটকৰ বাবে মুকলি কৰা হয়। বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অভয়াৰণ্যখন আনুষ্ঠানিকভাৱে মুকলি কৰে। বাৰিষাৰ বাবে বন্ধ হৈ থকা অভয়াৰণ্যখনত বানৰ ফলত হোৱা আন্তঃগাঁথনিৰ ক্ষতি ইতিমধ্যে মেৰামতি কৰা হৈছে। অভয়াৰণ্যখন মুকলি কৰাৰ  পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী পাটোৱাৰীয়ে এইবাৰৰ পৰ্যটন বৰ্ষত পবিতৰালৈ পূৰ্বৰ দৰে পৰ্যটকৰ আগমন হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে পবিতৰাৰ বন্যপ্ৰণী আৰু উদ্ভিদ প্ৰজাতিৰ সংৰক্ষণৰ বাবে গ্ৰহণ কৰা প্ৰকল্প স্থানীয় ৰাইজৰ সহযোগিতাৰে ৰূপায়ণ কৰা হ'ব বুলি উল্লেখ কৰে।

*(বাইট ঃ পাটোৱাৰী)*

পৰ্যটকসকলে এতিয়াৰে পৰা অভয়াৰণ্যখনত জীপ আৰু হাতী চাফাৰি কৰিব পাৰিব। উল্লেখযোগ্য যে ১৯৯৮ চনত পবিতৰা সংৰক্ষিত বনাঞ্চল আৰু ৰজামায়ং পাহাৰ সংৰক্ষিত বনাঞ্চলৰ একত্ৰীকৰণ কৰি পবিতৰা অভয়াৰণ্যখন গঠন কৰা হৈছিল। পবিতৰাত বিশ্বৰ ভিতৰত কম আয়তনত সৰ্বাধিক গঁড় আছে। উল্লেখযোগ্য যে ১১০টা গঁড় থকা অভয়াৰণ্যখনত শীতৰ আগমনৰ লগে লগে দেশী-বিদেশী বহু পৰিভ্ৰমী চৰায়ে বিচৰণ কৰিছে। উদ্যানখনত ২০২২ চনত কৰা পিয়ল অনুসৰি ২২টা প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ২৭টা প্ৰজাতিৰ সৰীসৃপ, ৯টা উভচৰ প্ৰজাতিৰ প্ৰাণী, ৪১ বিধ মাছ আৰু ৩৭৫ টা প্ৰজাতিৰ চৰাই আছে। গঁড়ৰ উপৰি অভয়াৰণ্যখনৰ ঘাঁহনি, অৰণ্য আৰু জলাশয়ত নাহৰ ফুটুকী, বনৰীয়া ম'হ, বনৰীয়া গাহৰি আৰু হৰিণৰ কেইবাটাও প্ৰজাতি পোৱা যায়।

০০০০০

বদৰপুৰ ষ্টেছনত ৰে'ল আৰক্ষীয়ে অভিযান চলাই কালি বুজন পৰিমাণৰ হেৰোইন জব্দ কৰে। ৰে'ল আৰক্ষীয়ে ঘটনা সংক্ৰান্তত ষ্টেছনত সন্দেহজনকভাৱে বিচৰণ কৰি থকা ৪ জন যুৱকক আটক কৰে। জব্দ কৰা হেৰোইনখিনিৰ বজাৰ মূল্য প্ৰায় ৫ কোটি টকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আটক কৰা উজ্বল মণ্ডল, অমল মণ্ডল, মদন মণ্ডল আৰু অচিত মণ্ডল নামৰ যুৱককেইজন পশ্চিমবংগৰ মালদহ জিলাৰ নাৰায়ণপুৰৰ বাসিন্দা।

০০০০০

হোজাই আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী খাৰিখানা বিল গাঁৱত বিদ্যুৎপৃষ্ট হৈ যোৱা নিশা দুটা বনৰীয়া হাতীৰ মৃত্যুৰ ঘটনা সংক্ৰান্তত আৰক্ষীয়ে আজি ৰাজকুমাৰ ৰাজভৰ আৰু অজয় কুমাৰ ৰাজভৰ নামৰ দুজন লোকক আটক কৰে। ধাননি পথাৰত হাতীৰ প্ৰৱেশত বাধা দিয়াৰ বাবে স্থাপন কৰা বিদ্যুতৰ তাঁৰত লাগি হাতী দুটাৰ মৃত্যু হৈছিল। পশ্চিম কাৰ্বি আংলঙৰ এই লোক দুজনে লংকাৰ খাৰিখানা বিলগাঁৱত আনৰ মাটি আধিত লৈ ধানখেতি কৰিছিল। লোক দুজনে খেতি পথাৰত হাতী খেদিবৰ বাবে ব্যৱহাৰ কৰা

ঝাটকা মেচিনত বিদ্যুৎ সংযোগ কৰা বুলি আৰক্ষীৰ আগত স্বীকাৰ কৰিছে। দুয়োজন লোককে সম্প্ৰতি লংকা বন কাৰ্যালয়ত ৰাখি ঘটনা সন্দৰ্ভত সোধা পোচা কৰা হৈছে।

ooooo

১৯৮৫ চনৰ ২৪ মাৰ্চত তেতিয়াৰ মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ৰ পুৰণি প্ৰসূতি কক্ষ এটাক উন্নীত কৰা হৈছিল এটা টেলিভিছনৰ ষ্টুডিঅ'লৈ। এয়াই আছিল গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ আৰম্ভণি। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে টেলিভি ছনৰ বাতৰি প্ৰচাৰ আৰম্ভ হৈছিল। বহু ঘটনাৰ সাক্ষী এই গুৱাহাটী দূৰদৰ্শনৰ বাতৰি বিভাগ।

(প্ৰম')

অহা ২৫ অক্টোবৰৰ নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানৰো বিষয় এই গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগ। ইয়াত লগ পাব বাতৰি বিভাগৰ জন্ম লগ্নৰ পৰা জড়িত কেইগৰাকীমান বিষয়া-কৰ্মচাৰী আৰু পৰিৱেশিকাক। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

যোৰহাটৰ লিচুবাৰী ডেনিছ্ নগৰৰ ড০ মুৰ্চনা খুচৰু নামৰ অধ্যাপিকাগৰাকীয়ে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ এটা অভিলাষী গৱেষণা প্ৰকল্পৰ বাবে বাচনি লাভ কৰিছে। মেঘালয়ৰ ইউ এছ্ টি এমৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকাগৰাকীয়ে ইছৰোত ভাৰতৰ প্ৰথম সৌৰ অভিযান আদিত্য এল ৱান সন্দৰ্ভত এটা গৱেষণা প্ৰকল্পৰ নেতৃত্ব দিব।

ooooo

এডেলেইডত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত আজি অষ্ট্ৰেলিয়াই ভাৰতক ২ উইকেটত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই ২৬৫ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি মেথিঅ' শ্বৰ্টৰ ৭৪ আৰু কুপাৰ কলনিৰ ৬১ ৰানৰ সহায়ত ৩ অভাৰতকৈ বেছি বাকী থকা অৱস্থাত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ অৰ্শদীপ সিং, হৰ্ষিত ৰাণা আৰু ৱাছিংটন সুন্দৰে দুটাকৈ উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অ'ভাৰত ৯ টা উইকেট হেৰুৱাই ২৬৪ ৰান কৰে। ভাৰতৰ হৈ ৰোহিত শৰ্মাই ৭৩ ৰান আৰু শ্ৰেয়াস আয়াৰে ৬১ ৰান কৰে। অষ্ট্ৰেলিয়াৰ এডম জাম্পাই চাৰিটা উইকেট দখল কৰে। অষ্ট্ৰেলিয়াই প্ৰতিযোগিতাৰ দুয়োখন খেলত জয়লাভ কৰি শৃংখলাত ২-০ ৰ অগ্ৰগতি লাভ কৰিছে।

ooooo

অসম ক্ৰিকেট সন্থাই অহা ২৬ অক্টোবৰৰ পৰা নাগপুৰত হবলগীয়া ১৯ বছৰ অনুৰ্ধ টি-টুৱেণ্টি মহিলা ক্ৰিকেটৰ প্ৰথম তিনিখন খেলৰ বাবে ৰাজ্যিক দলৰ খেলুৱৈসকলৰ নাম ঘোষণা কৰিছে। এই খেলুৱৈসকল হৈছে অধিনায়ক কাকু বৰ্মন, উপ অধিনায়ক খুছি কুমাৰী, প্ৰিয়ংকা কলিতা, ৰীমা পেগু, ডলী কাৰ্দং, নেহা চন্দ, পয়োনিধি দাস, গ্ৰীতিশা শইকীয়া, ৰেচমি সিনহা, আকাংক্ষা চাণ্ডিল্য, ৰিয়া পোড়েল, অংকিতা সোণোৱাল, ডেইজী তাঁতি, স্বস্তি বিশ্বকৰ্মা আৰু কৌশল্যা সাহু। দলটোত ডং গণেশ দত্ত সুঘ মুখ্য প্ৰশিক্ষক, তিলক দাস প্ৰশিক্ষক, আৰু পাপৰি গগৈ সহকাৰী প্ৰশিক্ষক হিচাপে থাকিব। অসম ক্ৰিকেট সন্থাই এই প্ৰতিযোগিতাৰ বাবে অসম মহিলা দল তথা সহযোগীসকললৈ শুভেচ্ছা জনাইছে।

○○○○○

বজালী জিলাৰ বৰবাং খান্দোপাৰা নিৰাসী অৱসৰী শিক্ষক কৃপানাথ চৌধুৰীৰ যোৱা নিশা নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৪ বছৰ। এগৰাকী কৃতী শিক্ষক আৰু সমাজকৰ্মী হিচাপে পৰিচিত প্ৰয়াত চৌধুৰী বৰবৰিৰ বাণী হাইস্কুল আৰু ৰতনপুৰ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

○○○○○

সমাপ্ত